# 2022

## ASSAMESE

Paper : ASM-HG/RC-2016

**( Asomiya Sahityar Itihas )**

( Honours Generic/Regular Course )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা (যি কোনো দহটা) : ১×১০=১০

(ক) লোকসাহিত্যক কিয় মৌখিক সাহিত্য বোলা হয় ?

(খ) জনশ্ৰুতি লোকসাহিত্য হয়নে ?

(গ) লোকগীতত ৰচকৰ নাম থাকে নে নাথাকে ?

(ঘ) 'প্ৰহ্লাদ চৰিত' কাৰ ৰচনা ?

(ঙ) প্ৰাক্-শংকৰী যুগৰ সৰ্বশ্ৰেষ্ঠ কবি বুলি কাক কোৱা হয় ?

(চ) কবিৰত্ন সৰস্বতীয়ে কাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল ?

(ছ) পীতাম্বৰ কবিয়ে লিখা এখন পাঁচালী কাব্যৰ নাম লিখা।

(জ) শংকৰদেৱৰ শিক্ষাগুৰুজনাৰ নাম লিখা।

(ঝ) ত্ৰিহুতৰ জগদীশ মিশ্ৰই শংকৰদেৱক কোনখন গ্ৰন্থ আনি দিছিল?

(ঞ) 'নামঘোষা'ত কিমানটা ঘোষা আছে?

(ট) 'অজামিল উপাখ্যান' কাৰ ৰচনা?

(ঠ) 'কীৰ্তন'ত কিমানটা খণ্ড আছে?

(ড) 'কথাগীতা' কাৰ ৰচনা?

(ঢ) 'ঘোঁৰা নিদান' কোনে ৰচনা কৰিছিল?

(ণ) প্ৰাচীন অসমত ৰচিত হাতীৰ চিকিৎসা সম্পৰ্কীয় গ্ৰন্থখনৰ নাম লিখা।

২। চমুকৈ উত্তৰ লিখা (যি কোনো পাঁচটা) : ২×৫=১০

(ক) লোকসাহিত্যৰ দুটা বৈশিষ্ট্য লিখা।

(খ) লোকসাহিত্যৰ এটি সংজ্ঞা নিৰ্ণয় কৰা।

(গ) অনন্ত কন্দলীয়ে লিখা এখন নাট আৰু এখন কাব্যৰ নাম লিখা।

(ঘ) ৰাম সৰস্বতীয়ে লিখা দুখন অসমীয়া বধকাব্যৰ নাম লিখা।

(ঙ) শংকৰদেৱৰ 'ভক্তিৰত্নাকৰ' গ্ৰন্থখন কোনে কোনে অসমীয়ালৈ অনুবাদ কৰিছে?

(চ) কোনটো শতিকাৰ শেষৰ ফালে, কোনে 'সদৰামীনৰ বুৰঞ্জী' ৰচনা কৰে?

(ছ) দুখন গদ্য চৰিতৰ নাম লিখা।

(জ) ৰুচিনাথ কন্দলীয়ে ৰচনা কৰা দুখন পদ-পুথিৰ নাম লিখা।





৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) বৰগীতৰ বিষয়বস্তু সম্পৰ্কে লিখা।

(খ) অংকীয়া নাটৰ বিশেষত্বসমূহ লিখা।

(গ) 'ঝুমুৰা'ৰ বিষয়ে এটি চমু টোকা লিখা।

(ঘ) চৰিত-সাহিত্যৰ ভাষা সম্পৰ্কে এটি টোকা লিখা।

(ঙ) অসমৰ বুৰঞ্জী পুথি সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(চ) বংশাৱলী সাহিত্যৰ বিষয়ে এটি পৰিচয়মূলক টোকা লিখা।

(ছ) অসমীয়া চুফীমূলক সাহিত্যৰ পৰিচয় দিয়া।

(জ) অসমীয়া ব্যৱহাৰিক সাহিত্য সম্পৰ্কে চমুকৈ আলোচনা কৰা।

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) অসমীয়া লোকসাহিত্যক প্ৰধানকৈ কেইটা ভাগত ভাগ কৰিব পাৰি? এই ভাগসমূহৰ বিষয়ে উদাহৰণসহ আলোচনা কৰা।

(খ) "প্ৰবচন-প্ৰবাদ বাক্যবোৰ হৈছে—'দহৰ জ্ঞান, একৰ বাণী'।" আলোচনা কৰা।

(গ) বিহুগীতৰ বিষয়বস্তু সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ঘ) অসমীয়া আখ্যান-গীত (Ballads)ৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰা।

(ঙ) অসমীয়া নব-বৈষ্ণৱ সাহিত্যৰ পটভূমি কেনেধৰণৰ আছিল, আলোচনা কৰা।

(চ) প্ৰাক্-শংকৰী যুগৰ কবিসকলৰ ৰচনাত সেই সময়ৰ সমাজখন কেনেদৰে প্ৰতিফলিত হৈছে, উদাহৰণসহ লিখা।

(ছ) বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱমুক্ত মনসা সাহিত্যৰ বিষয়ে লিখা।

(জ) শংকৰদেৱৰ সাহিত্যসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(ঝ) 'নামঘোষা'ত মিহলি হৈ থকা 'তিনিটা ভাবৰ ধাৰা'ৰ বিষয়ে 'নামঘোষা'ৰ ঘোষাৰ উদ্ধৃতিসহ আলোচনা কৰা।

(ঞ) উত্তৰ-শংকৰী যুগৰ সাহিত্যৰ সাধাৰণ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

★★★